**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 24-02-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত ঝুমইৰ বিনন্দিনী অনুষ্ঠান উপভোগ আৰু এডভাণ্টেজ আছামৰ সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি অসমলৈ আহিব।

২। এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত অংশগ্ৰহণৰ বাবে বিভিন্ন দেশৰ উচ্চ আয়ুক্ত আৰু ৰাষ্ট্ৰদূতৰ সৈতে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ কালি অসমৰ যোৰহাট বিমানবন্দৰত উপস্থিত হয়।

৩। ষোড়শ বিত্তীয় আয়োগৰ অধ্যক্ষৰ নেতৃত্বত মিজোৰামত আজিৰে পৰা ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত ৰাজহৰ অংশীদাৰিত্বৰ আৰ্হি আৰু বিকাশৰ বিভিন্ন দিশ আলোচনা কৰা হ'ব।

৪। ভাৰত-ফ্ৰান্স প্ৰতিৰক্ষা সহযোগিতা শক্তিশালী কৰাৰ উদ্দেশ্যে চৰকাৰী ভ্ৰমণসূচীৰে সেনাবাহিনীৰ মুৰব্বী জেনেৰেল উপেন্দ্ৰ দ্বিবেদী কালি ফ্ৰান্সলৈ গৈছে। **আৰু**

৫। আই চি চি চেম্পিয়নছ ট্ৰফীত যোৱা নিশা ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হোৱা খেলত ভাৰতে পাকিস্তানক ৬ উইকেটত পৰাস্ত কৰে।

০০০০০

গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত ঝুমইৰ বিনন্দিনী অনুষ্ঠান উপভোগ আৰু এডভাণ্টেজ আছামৰ সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি অসমলৈ আহিব। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে গুৱাহাটীৰ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত কাইলৈ আৰম্ভ হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ উদ্বোধন কৰিব।

উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত অংশগ্ৰহণৰ বাবে বিভিন্ন দেশৰ উচ্চ আয়ুক্ত আৰু ৰাষ্ট্ৰদূতৰ সৈতে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ কালি অসমৰ যোৰহাট বিমানবন্দৰত উপস্থিত হয়। সৰুসজাই ষ্টেডিয়ামত অসমৰ চাহ শিল্পৰ ২০০ বছৰীয়া ঐতিহ্য উদযাপনৰ উদ্দেশ্যে আজি হ'বলগীয়া ঝুমইৰ বিনন্দিনী শীৰ্ষক অনুষ্ঠান উপভোগ কৰাৰ পাছত খানাপাৰাত দুদিনীয়া কাৰ্যসূচীৰে হ'বলগীয়া এডভাণ্টেজ আছামৰ বিনিয়োগ আৰু আন্তঃগাঁথনি ২০২৫ত বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে অংশগ্ৰহণ কৰিব। ঝুমইৰ বিনন্দিনী অনুষ্ঠানত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা ৮ হাজাৰৰো অধিক ঝুমুৰ শিল্পীয়ে নৃত্য পৰিৱেশন কৰিব। ঝুমুৰ হৈছে অসমৰ চাহ বাগিচাৰ আদিবাসী সম্প্ৰদায়ৰ সংস্কৃতিৰ এটা অবিচ্ছেদ্য অংগ। অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে এই এডভাণ্টেজ আছাম শীৰ্ষ সন্মিলনে ভৱিষ্যতে অসমৰ বিকাশৰ যাত্ৰা ত্বৰান্বিত কৰিব।

০০০০০

যোড়শ বিত্তীয় আয়োগৰ অধ্যক্ষ অৰবিন্দ পানাগাড়িয়াৰ নেতৃত্বত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত ৰাজহৰ অংশীদাৰিত্বৰ আৰ্হি আৰু বিকাশৰ বিভিন্ন দিশ আলোচনা কৰা হ'ব। এই উদ্দেশ্যে আয়োগে আজি মিজোৰাম চৰকাৰৰ লগতে ঔদ্যোগিক সংস্থা, গ্ৰাম্য আৰু নগৰাঞ্চলৰ স্থানীয় সংস্থা তথা স্বায়ত্তশাসিত প্ৰতিষ্ঠানৰ প্ৰতিনিধিৰ সৈতে আলোচনাত মিলিত হ'ব। বিত্ত আয়োগৰ অধ্যক্ষগৰাকীয়ে তিনিজন সদস্য ক্ৰমে- অজয় নাৰায়ণ ঝা, এনি জৰ্জ মেথিউ আৰু মনোজ পাণ্ডাৰ লগতে কেইবাগৰাকীও বিষয়াসহ কালি আইজল উপস্থিত হৈ ৰাজ্যপাল বিজয় কুমাৰ সিঙক ৰাজভৱনত সাক্ষাৎ কৰে। আয়োগৰ দলটোৱে পাছত হান্থাৰ বেং অঞ্চলৰ ভূমিস্খলনত ক্ষতিগ্ৰস্ত হোৱা ঠাইসমূহ পৰিদৰ্শন কৰে। চাৰিদিনীয়া এই ভ্ৰমণকালত বিত্ত আয়োগৰ দলটোৱে মুখ্যমন্ত্ৰী লালডোহোমা, তেওঁৰ মন্ত্ৰীসভাৰ সদস্য, চৰকাৰী বিষয়া, ৰাজনৈতিক দল, তিনিখন স্বায়ত্তশাসিত পৰিষদ, স্থানীয় সংস্থা, বাণিজ্য আৰু উদ্যোগ প্ৰতিনিধি তথা গাঁও পৰিষদৰ প্ৰতিনিধিৰ সৈতে বৈঠকত মিলিত হ'ব। এই বৈঠকত আয়োগে ভাৰত চৰকাৰক দিয়া পৰামৰ্শ প্ৰস্তুত কৰাৰ অংশ হিচাপে ৰাজ্যখনৰ লগত জড়িত কেতবোৰ বিষয় সম্পৰ্কত প্ৰতিনিধিসকলৰ মতামত গ্ৰহণ কৰিব। উল্লেখযোগ্য যে ২০২৩ চনৰ ৩১ ডিচেম্বৰত যোড়শ বিত্তীয় আয়োগ গঠন কৰা হৈছিল। এই আয়োগে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ মাজত ৰাজহৰ অংশীদাৰিত্বৰ আৰ্হি পৰ্যালোচনা আৰু পৰামৰ্শ দিয়ে। ২০২৬ চনৰ ১ এপ্ৰিলত যোড়শ বিত্তীয় আয়োগৰ কাৰ্যকালৰ অন্ত পৰিব।

০০০০০

শান্তি ৰক্ষাত মহিলাঃ গ্লোৱেল ছাউথৰ দৃষ্টিভংগী সন্দৰ্ভত মহিলা শান্তিৰক্ষকসকলৰ প্ৰথমখন সন্মিলন আজি নতুন দিল্লীত আৰম্ভ হ'ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে ৰাষ্ট্ৰসংঘৰ শান্তিৰক্ষা কেন্দ্ৰ তথা প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ সহযোগত দুদিনীয়া কাৰ্যসূচীৰে এই সন্মিলনৰ আয়োজন কৰিছে। গ্লোৱেল ছাউথৰ দেশসমূহৰ ৩৫টা বাহিনীৰ মহিলা শান্তি ৰক্ষকে এই কাৰ্য্যসূচীত অংশগ্ৰহণ কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে এই সন্মিলনত মুখ্য ভাষণ দিব।

০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **পুনৰ ব্যৱহাৰ আৰু আৱৰ্জনা ব্যৱস্থাপনা** সন্দৰ্ভত বৃত্তীয় অৰ্থনীতি তথা আৱৰ্জনা ব্যৱস্থাপনা বিশেষজ্ঞ ড০ সুনীল পাণ্ডে আৰু পৰিৱেশবিদ মুকুল সানৱালৰ সৈতে বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি তেওঁলোকক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব।

০০০০০

ভাৰত-ফ্ৰান্স প্ৰতিৰক্ষা সহযোগিতা শক্তিশালী কৰাৰ উদ্দেশ্যে চৰকাৰী ভ্ৰমণসূচীৰে সেনাবাহিনীৰ মুৰব্বী জেনেৰেল উপেন্দ্ৰ দ্বিবেদী কালি ফ্ৰান্সলৈ গৈছে। আজি পেৰিছৰ লেছ ইনভেলিদেছত হ'বলগীয়া ফ্ৰান্সৰ জ্যেষ্ঠ সামৰিক নেতৃত্বৰ সৈতে জেনেৰেল দ্বিবেদী বৈঠকত মিলিত হ'ব। সামৰিক অভিবাদনেৰে দিনটোৰ কাৰ্যসূচী আৰম্ভ হোৱাৰ পাছত তেওঁ দেশখনৰ জেনেৰেল পিয়েৰ শ্বিলৰ সৈতে মিলিত হ'ব। এই বৈঠকত মূল উদ্দেশ্যে হৈছে দুয়োখন দেশৰ মাজত সামৰিক সম্পৰ্ক অধিক শক্তিশালী কৰা। কাইলৈ জেনেৰেল দ্বিবেদী

মাৰ্ছেইললৈ যাত্ৰা কৰিব আৰু তাত তেওঁক ফ্ৰান্সৰ সেনাৰ অভিযান আৰু ভূমিকা, দ্বিপাক্ষিক অনুশীলন শক্তি, ভাৰত-ফ্ৰান্সৰ প্ৰশিক্ষণ সহযোগিতা আৰু ফ্ৰান্সৰ সেনাৰ আধুনিকীকৰণ কাৰ্যসূচীৰ বিষয়ে অৱগত কৰোৱা হ'ব। অহা বৃহস্পতিবাৰে জেনেৰেল দ্বিবেদীয়ে **নিউভা চাপেল ভাৰতীয় যুদ্ধ স্মাৰক** পৰিদৰ্শন কৰি প্ৰথম বিশ্বযুদ্ধত মৃত্যু হোৱা ভাৰতীয় সৈনিকসকলৰ সোঁৱৰণত শ্ৰদ্ধা জনাব। ইয়াৰ পাছত তেওঁ ফ্ৰান্সৰ জইণ্ট ষ্টাফ কলেজ, ইক'ল দি গুৰেৰত আধুনিক যুদ্ধৰ বিৱৰ্তনশীল প্ৰকৃতি আৰু ভাৰতৰ কৌশলগত দৃষ্টিভংগী সন্দৰ্ভত বক্তৃতা দিব।

০০০০০

কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰখনত ভাৰতৰ অগ্ৰগতিক বিশ্বই ভূয়সী প্ৰশংসা কৰে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি আকাশবাণীৰ মন কী বাত অনুষ্ঠানত প্ৰকাশ কৰে। কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত ভাৰতে সুকীয়া পৰিচয় গঢ়িবলৈ সমৰ্থ হৈছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে ভাৰতৰ জনসাধাৰণ নতুন প্ৰযুক্তি গ্ৰহণ আৰু ইয়াৰ ব্যৱহাৰৰ প্ৰতি সদায় আগ্ৰহী। বিগত মাহটোত ভাৰতীয় মহাকাশ গৱেষণা সংস্থা, ইছৰোৱে ১০০ সংখ্যক ৰকেট উৎক্ষেপণ কৰা কাৰ্যত তেওঁ সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয়, যে বিগত ১০ বছৰত দেশে নিজৰ লগতে অন্য দেশৰো প্ৰায় ৪৬০টা উপগ্ৰহ প্ৰেৰণ কৰিবলৈ সমৰ্থ হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহাকাশ বিজ্ঞানীৰ দলত মহিলাৰ সংখ্যা বৃদ্ধি পোৱা বিষয়ত সন্তোষ প্ৰকাশ কৰে। বৰ্তমান মহাকাশ ক্ষেত্ৰখন যুৱ প্ৰজন্মৰ প্ৰিয় বিষয় হৈ পৰা কথাটোৱে শ্ৰীমোদীক আনন্দিত কৰা বুলিও তেওঁ উল্লেখ কৰে।

শ্ৰীমোদীয়ে এই অনুষ্ঠানত ৮ মাৰ্চৰ আন্তৰ্ৰাষ্ট্ৰীয় নাৰী দিৱসৰ প্ৰসংগ উল্লেখ কৰি এই দিনটো নাৰী শক্তিক প্ৰণাম জনোৱাৰ এটা বিশেষ দিন বুলি মন্তব্য কৰে।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানত উত্তৰাখণ্ডত হৈ যোৱা ৰাষ্ট্ৰীয় ক্ৰীড়াৰ বিষয়েও উল্লেখ কৰি কয়, যে দেশৰ এঘাৰ হাজাৰতকৈও অধিক খেলুৱৈয়ে এই ক্ৰীড়া সমাৰোহত অপূৰ্ব ক্ৰীড়া শৈলী প্ৰদৰ্শন কৰিছিল।

কালিৰ অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে বন্যপ্ৰাণী সংৰক্ষণৰ লগতে দেশৰ অনুকূল পৰিৱেশ তন্ত্ৰৰ বিষয়ে উল্লেখ কৰে। তেওঁ এই অনুষ্ঠানতে পৰীক্ষাৰ্থীসকলক মানসিক চাপ অবিহনে পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ আহ্বান জনায়।

০০০০০

কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী জগত প্ৰকাশ নাড্ডাই কালি নতুন দিল্লীত মালদ্বীৰ স্বাস্থ্যমন্ত্ৰী আব্দুল্লা নাজিম ইব্ৰাহিম সাক্ষাৎ কৰে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰীনাড্ডাই কয়, যে বৈঠকত দুয়োপক্ষই স্বাস্থ্যখণ্ডৰ বিশেষকৈ ডিজিটেল স্বাস্থ্য, ঔষধ, মানসিক স্বাস্থ্য আৰু স্বাস্থ্যখণ্ডৰ কৰ্মচাৰীসকলৰ সামৰ্থ বিকাশ আৰু প্ৰশিক্ষণ আদিৰ বিষয়ে আলোচনা কৰে।

০০০০০

ভাৰতীয় চলচ্চিত্ৰ উদ্যোগৰ ১১১ বছৰীয়া জয়ন্তী উপলক্ষে বাংলাদেশৰ ঢাকাৰ ভাৰতীয় সংস্কৃতি কেন্দ্ৰত **ভাৰতীয় চিনেমাৰ যাত্ৰা** শীৰ্ষক এটা চহকী আৰু তথ্য সমৃদ্ধ প্ৰদৰ্শনী মুকলি কৰা হয়। ভাৰতৰ উচ্চ আয়ুক্ত প্ৰণয় ভাৰ্মাই ঢাকাত ইন্দিৰা গান্ধী সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত আয়োজিত এই প্ৰদৰ্শনীখন মুকলি কৰে। উদ্বোধনী ভাষণত উচ্চ আয়ুক্তগৰাকীয়ে কয়, যে ১৯১৩ চনৰ ২১ মে'ত নিৰ্বাক ছবি **ৰাজা হৰিশ্চন্দ্ৰ**ৰ মুক্তিৰ পৰা ভাৰতীয় চলচ্চিত্ৰ যাত্ৰা আৰম্ভ হোৱা বুলি বিবেচিত হৈছে আৰু এই যাত্ৰাই ২০২৫ চনত ১১১ বছৰ অতিক্ৰম

কৰিছে। উচ্চ আয়ুক্তগৰাকীয়ে মনোৰঞ্জন উদ্যোগৰ সৈতে জড়িত বাংলাদেশৰ জনসাধাৰণ ২০২৫ চনৰ ১ ৰ পৰা ৪ মে'লৈ মুম্বাইত হ'বলগীয়া বিশ্ব দৃশ্য শ্ৰাব্য আৰু মনোৰঞ্জন সন্মিলন,WAVES ত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। ভাৰতীয় চলচ্চিত্ৰৰ বিৱৰ্তনত বিভিন্ন চলচ্চিত্ৰ জগতৰ কিংবদন্তি ব্যক্তিত্বৰ অৱদান সম্পৰ্কে ঢাকাত অনুষ্ঠিত প্ৰদৰ্শনীত আলোচনা কৰা হয়। অনুষ্ঠানত প্ৰশংসিত তথ্য 'THE ELEPHANT WISHPERERS' প্ৰদৰ্শন কৰা হয়। কেবাগৰাকীও চলচ্চিত্ৰৰ লগত জড়িত ব্যক্তি, শিল্প অনুৰাগী আৰু চলচ্চিত্ৰ নিৰ্মাণ প্ৰতিষ্ঠানৰ ছাত্ৰ-ছাত্ৰী এই প্ৰদৰ্শনীখনত উপস্থিত থাকে।

ooooo

আই চি চি চেম্পিয়নছ ট্ৰফীত যোৱা নিশা ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হোৱা খেলত ভাৰতে পাকিস্তানক ৬ উইকেটত পৰাস্ত কৰে। বিৰাট কোহলীয়ে উল্লেখযোগ্য শতক অৰ্জন কৰি পাকিস্তানৰ বলিং আক্ৰমণ প্ৰতিহত কৰে। প্ৰথমে বেটিং কৰিবলৈ লৈ পাকিস্তানে দুটা বল বাকী থকা অৱস্থাত ২৪১ ৰাণ সংগ্ৰহ কৰি আটাইকেইটা উইকেট হেৰুৱায়। ভাৰতৰ হৈ কুলদ্বীপ যাদৱে ৩টা, হাৰ্দিক পাণ্ডিয়াই ২টা, হৰ্ষিত ৰাণা, অক্ষৰ পেটেল আৰু ৰবিন্দ্ৰ জাডেজাই এটাকৈ উইকেট দখল কৰে। বিৰাট কোহলীৰ অপৰাজিত শতক, শ্ৰেয়াছ আয়াৰৰ ৫৬ ৰাণ আৰু শুভমন গিলৰ ৪৬ ৰাণৰে সহজে জয়ৰ লক্ষ্য অতিক্ৰম কৰে।

ooooo

সমাপ্ত